Role of Human Resource in Economic Development ( অৰ্থনৈতিক উন্নয়নত মানৱ সম্পদৰ ভূমিকা ) :-

মানৱ সম্পদ বুলিলে দেশ বা ৰাজ্য এখনৰ কৰ্মদক্ষতা, শৈক্ষিক অৰ্হতা, উৎপাদনশীলতা, কাৰিকৰী নৈপুণ্যতা, সাংগঠনিক দক্ষতা, পৰিচালন ক্ষমতা, দূৰদৰ্শিতা আদি গুনসমূহ থকা জনসংখ্যাক বুজা যায়। দেশ বা ৰাজ্য এখনৰ সামগ্ৰিক উন্নয়নৰ বাবে মানৱ সম্পদ উন্নয়ন অতি প্ৰয়োজনীয়। মানৱ সম্পদ উন্নয়নৰ বাবে মানৱশক্তিৰ উপযুক্ত পৰিকল্পনাৰ লগতে মানৱ মূলধন গঠন কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ বিনিয়োগ কৰাটো দৰকাৰী।

এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ সম্পদবিধেই হ'ল মানৱ সম্পদ। আন সম্পদসমূহৰ ভিতৰত মানৱ সম্পদেই হ'ল আটাইতকৈ সক্ৰিয় সম্পদ। মানৱ সম্পদৰ পৰিমাণগত আৰু গুনগত উন্নয়ন দেশ এখনৰ প্ৰাকৃতিক সম্পদসমূহৰ উপযুক্ত আৰু কাম্য ব্যৱহাৰ বাবে অতি প্ৰয়োজনীয়।

মানৱ সম্পদে দেশ বা ৰাজ্য এখনৰ অৰ্থনৈতিক উন্নয়নত বিশেষ ভূমিকা পালন কৰে। জ্ঞান আৰু দক্ষতা থকা শ্ৰমিকসকলে সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰ কৰে আৰু ইয়াৰ জৰিয়তে তেওঁলোকৰ উৎপাদন আৰু আয় বৃদ্ধি কৰিবলৈ চেষ্টা কৰে। বৃত্তিমুখী শিক্ষাই শ্ৰমিকসকলক তথা মানৱশক্তিক বিভিন্ন বৃত্তিত নিয়োজিত হোৱাত সহায় কৰাৰ লগতে অধিক উপাৰ্জন কৰিবলৈ সক্ষম কৰি তোলে। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে উচ্চশিক্ষা আৰু প্ৰশিক্ষণৰ জৰিয়তে লোকসকলৰ কাৰিকৰী কৌশল, জ্ঞান, পৰিচালন দক্ষতা আদি বৃদ্ধি কৰি মানৱ সম্পদ হিচাপে গঢ়ি তোলে। ইয়াৰ দ্বাৰা দেশখনৰ আয় ~~আৰু~~ –

আৰু উৎপাদন বৃদ্ধি পায়। মানৱ সম্পদৰ উন্নয়নে উৎপাদনশীলতা বৃদ্ধি কৰে আৰু ফলস্বৰূপে দেশ তথা ৰাজ্যসমূহৰ জনমূৰি ~~আয়~~ আয় বৃদ্ধি পায়। তদুপৰি মানৱ সম্পদ উন্নয়নৰ লগে লগে স্বাস্থ্যসেৱাৰ উন্নতিয়ে শ্ৰমিকসকলৰ কৰ্মদক্ষতা বৃদ্ধি কৰে। এই সকলোবোৰ কাৰকে অৰ্থনৈতিক উন্নয়নত ধনাত্মক প্ৰভাৱ পেলায়।

এনেদৰে দেশ বা ৰাজ্যৰ মানৱ সম্পদ উন্নয়নে জনসাধাৰণৰ দৃষ্টিভংগী সলনি কৰে আৰু লোকসকলৰ ব্যক্তিত্বৰ বিকাশত সহায় কৰে। এনেধৰণৰ যোগাত্মক পৰিৱৰ্তনে উদ্ভাৱনীমূলক দক্ষতা তথা উদ্যমিতাৰ বিকাশত সহায়ক হয়। ইয়ে লোকসকলক অধিক পৰিশ্ৰম কৰিবলৈ, ক্ষতিশংকা বহন কৰিবলৈ, গৱেষণাত মনোনিৱেশ কৰিবলৈ আৰু নতুন দ্ৰব্যসামগ্ৰীৰ উৎপাদনৰ লগতে নতুন উৎপাদনী কৌশল উদ্ভাৱন কৰিবলৈ উৎসাহিত কৰে। মানৱ সম্পদৰ উন্নয়নৰ লগে লগে মানুহৰ জীৱন-ধাৰণৰ মানদণ্ডও উন্নত হ'বলৈ ধৰে। মানৱ সম্পদৰ উপযুক্ত বিকাশ আৰু উন্নয়নে দেশ ~~তথা~~ বা ৰাজ্যসমূহৰ অৰ্থনৈতিক উন্নয়নত বিশেষ ~~ভূমিকা~~ অৰিহণা যোগায়।

classmate
Date ____
Page ____

অৰ্থনৈতিক উন্নয়ন কেৱল দেশ এখনত থকা প্ৰচুৰ প্ৰাকৃতিক সম্পদৰ ওপৰতে নিৰ্ভৰ নকৰে, ই নিৰ্ভৰ কৰে মানৱ দক্ষতাৰে কৰা প্ৰাকৃতিক সম্পদৰ কাম্য ব্যৱহাৰ, কাৰিকৰী ~~নৈপুণ্যৰ~~ দক্ষতা উদ্ভাৱন কৌশল আৰু মূলধন আৰু প্ৰযুক্তিৰ দ্বাৰা সমৰ্থিত পৰিচালন ক্ষমতাৰ ওপৰত। গতিকে, দেখা গল যে, মানৱ সম্পদে অৰ্থনৈতিক উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

classmate
Date
Page

## Role of Human Resources in Economic Development :-

By the term human resources we mean the size of population of a country along with its efficiency, educational qualities, productivity, organisational abilities and farsightedness. A country should introduce manpower planning for the development of its human resources. Human resources are considered as an important type of resources for attaining economic development of a country. Among various types of resources, human resources are the most active type of resources. Qualitative and quantitative development of human resources are very much required for the proper utilisation of natural resources of the country.

In order to attain an all round development of the country, the human capital formation through adequate volume of investment on human development is very much important under the present context of development.

As a result of human resource development, the production increases as the knowledgable and skilled workers can make a rational use of all resources at their disposal. With the ~~important knowledge~~ imparted knowledge; workers try to increase his output and income. Attainment of vocational skills helps the workers and all categories of manpower to earn higher level of

classmate
Date
Page

income in various professions. The higher education and training at higher educational set up like colleges and universities usually enables workers to contribute liberally towards faster expansion of output in technical, engineering, machine building, accounting, management etc. Moreover, improved health facility can enhance physical capacity of workers. Thus, all these factors positively contribute towards increased output. Increased formation of human capital raises per capita income of the country.

Human resource development can change the attitudes of the people and improve the personal qualities of people. Such changes are conducive to the development of innovative capacity and entrepreneurship which usually motivates people to work hard, take risks, do research and apply them to produce new products and also to develop new process of production. All these can work as a tool for economic change. Human resources development can also pave the way for improving quality of life for the people in general.

Thus, it is seen that human resources plays an important role in economic development.